# বিত্তীয় সজাগতা বাৰ্তাবোৰ (FAME)

## এফ আই ডি ডি, কেন্দ্ৰীয় কাৰ্যালয়



বিত্তীয় অন্তৰ্ভূক্তি আৰু বিকাশ বিভাগ, আৰ বি আই

**অস্বীকাৰ**

পাঠকক বিত্তীয়ভাবে সাক্ষৰ কৰি তোলাৰ ঐকান্তিক উদ্দেশ্য আগত ৰাখি এক পঠন আৰু শিক্ষণ সামগ্ৰী হিচাপে এই পুস্তক আগবঢ়োৱা হৈছে। ইয়াৰদ্বাৰা কোনো নিৰ্দিষ্ট বিত্তীয় সামগ্ৰী বা সেৱা সম্পৰ্কে সিদ্ধান্ত ল'বলৈ পাঠকক প্ৰভাৱান্বিত কৰাৰ অভিপ্ৰায় নাই।

**স্বত্ব**

উৎসৰ স্বীকৃতি সাপেক্ষে পুনৰ মুদ্ৰণ কৰিব পাৰিব

**তৃতীয় সংস্কৰণ - জুলাই ২০২০**

**ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা মুদ্ৰিত**

भारतीय रिज़र्व बैंक
**Reserve Bank of India**
ভাৰতীয় ৰিজাৰ্ভ বেংক
India's Central Bank

**বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ**

১০ম মহলা, শ্বহীদ ভগত সিং মাৰ্গ
ফৰ্ট, মুম্বাই - ৪০০ ০০১

**স্বীকৃতি**

ৰূপাংকন ঃ কৌশিক ৰামচন্দ্ৰন

# সূচীপত্ৰ

## বিত্তীয় বুৎপত্তি


বাৰ্তা ১ - ঋণৰ ওপৰত সুত ........ 01
বাৰ্তা ২ - চক্ৰবৃদ্ধি হাৰত গণনা ........ 02
বাৰ্তা ৩ - মূদ্ৰাস্ফীতি ........ 04
বাৰ্তা ৪ - টকাৰ সময় মূল্য ........ 05
বাৰ্তা ৫ - বিপদাশংকা বনাম প্ৰত্যাৰ্পন ........ 07
বাৰ্তা ৬ - ভিন্নমুখীকৰণ ........ 09


## মৌলিক বেংকিং


বাৰ্তা ৭ - আয়-ব্যয়ৰ প্ৰস্তুতকৰণ, সঞ্চয় আৰু দায়িত্বশীলতাৰে ঋণ লোৱা ........ 10
বাৰ্তা ৮ - জমা একাউন্ট ........ 13
বাৰ্তা ৯ - ক্ৰেডিট স্ক'ৰ ........ 14
বাৰ্তা ১০ - নতুন বৰ্গৰ বেংক আৰু ব্যৱসায়িক প্ৰতিনিধি ........ 15


## ডিজিটেল বিত্তীয় সাক্ষৰতা


বাৰ্তা ১১ - খুচুৰা প্ৰেৰণবোৰ ........ 17
বাৰ্তা ১২ - ইউনিফাইড পেমেন্ট ইন্টাৰফেচ ........ 18
বাৰ্তা ১৩ - ইলেকট্ৰনিক বেংকিং লেনদেনত কি কি কৰিব আৰু নকৰিব ........ 20
বাৰ্তা ১৪ - এটিএম লেনদেনত কি কি কৰিব আৰু নকৰিব ........ 21
বাৰ্তা ১৫ - জাল (ডিজিটেল) লেনদেনৰ বাবে গ্ৰাহকৰ দেয়তা ........ 23


## গ্ৰাহক সুৰক্ষা


বাৰ্তা ১৬ - অপ-বিক্ৰয় ........ 25
বাৰ্তা ১৭ - সচেত পৰ্টেল ........ 26
বাৰ্তা ১৮ - অৱিশ্বাস্যভাৱে সত্য ........ 27
বাৰ্তা ১৯ - অভিযোগ নিষ্পত্তি ব্যৱস্থা ........ 29
বাৰ্তা ২০ - আৰবিআইৰ অভিযোগ ব্যৱস্থাপনা প্ৰণালী (চিএমএছ) ........ 31

# বিত্তীয় ব্যুৎপত্তি




বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ, আৰ বি আই

## বাৰ্তা ১ { ঋণৰ ওপৰত সুত }

আপুনি বেংকৰ পৰা ১ বছৰৰ বাবে ১০০ টকাৰ ঋণ ল'লে




আৰু বেংকটোৱে ক'লে আপুনি বছৰি ১০ শতাংশ সৰল সুত* দিব লাগিব

মানে, বছৰটোৰ শেষত আপুনি বেংকক পৰিশোধ কৰিব লাগিব ১০০ টকা (ঋণ ৰাশি) যোগ **১০ টকা (সৰত সুত)** অৰ্থাৎ মুঠ ১১০ টকা

---

**সৰল সুত* গণনা**

$$\left(₹১০০ \times \frac{১০}{১০০}\right) \times ১ = ₹১০$$

অৰ্থাৎ

$$I = \left(P \times \frac{r}{১০০}\right) \times n$$ যত নেকি

P = মূলধন; I = সুত; r = সুতৰ হাৰ আৰু n = বছৰৰ সংখ্যা

---



### পিছে সাৱধান!!!

- **সদায়** ঋণ মঞ্জুৰি পত্ৰৰ চৰ্তাৱলী পঢ়ি ল'ব কিয়নো প্ৰতিষ্ঠান ভেদে এইবোৰ সুকীয়া হ'ব পাৰে।
- **সদায়** মিহি আখৰখিনি পঢ়ি চাব, কিয়নো প্ৰতিষ্ঠানে **(মিহি আখৰত মাহিলী)** ২% ভৰনী ল'ব বুলি লিখিব পাৰে, কিন্তু আচল হাৰটো বছৰি ২৪% হ'বগৈ।
- **সদায়** আচল হাৰটো জানিবলৈ আৰু আপোনাৰ ওপৰত পৰা বিত্তীয় বোজাটো জানিবৰ কাৰণে বাৰ্ষিক হাৰটো চাব।

**বেংকে সৰল সুত হাৰত ঋণ নিদিয়ে*

## বাৰ্তা ২ { চক্ৰবৃদ্ধি হাৰত গণনা }

চক্ৰবৃদ্ধিক সুতৰ ওপৰত সুত বুলিও কয়। চক্ৰবৃদ্ধিত সুবিধাটো হ'ল লাভ কৰা সুতখিনি মূলৰাশিত যোগ কৰি পুনৰ বিনিয়োগ কৰা হয়, সেয়ে মূলধনৰ ওপৰত লাভ কৰা সুত যোগ সুত



আৰু দীৰ্ঘ অৱধিত চক্ৰবৃদ্ধি হৈ থাকিলে, দেয় ৰাশি সৰল সুতৰ তুলনাত বহু বেছি হৈ পৰে*!

### ইয়াৰ এটা উদাহৰণ ঃ

| | |
|---|---|
| বৰ্ষ -১ | |
| ঋণৰ মূলধন | ১০,০০০ টকা |
| সুত @১০% (বছৰি চক্ৰবৃদ্ধি গণনা) | ১,০০০ টকা |
| বছৰটোৰ শেষত দেয়ৰাশি | ১১,০০০ টকা |
| বৰ্ষ -২ | |
| ১১,০০০ টকা সুত @১০% (বাৰ্ষিক চক্ৰবৃদ্ধি ১,১০০ (অৰ্থাৎ আদি মূলধন ১০,০০০ টকা + ১০০০ টকাৰ সুত | ১,১০০ টকা |
| বৰ্ষ -২ ৰ অন্তত দেয়ৰাশি | ১২,১০০ টকা |
| বৰ্ষ -৩ | |
| ১২,১০০ টকাৰ ওপৰত @১০% (বাৰ্ষিক চক্ৰবৃদ্ধি) সুত (বৰ্ষ -২ ৰ অন্তত দেয়ৰাশি) | ১,২১০ টকা |
| বৰ্ষ -৩ ৰ অন্তত দেয়ৰাশি | ১৩,৩১০ টকা |

**চক্ৰবৃদ্ধিৰ সুত্ৰ**

$$A = P \times \left(1 + \frac{r}{n}\right)^{n \times t}$$

য'ত A = ৰাশি; P = ঋণৰ মূলধন; $r$ = সুতৰ হাৰ (দশমিকত)
$n$ = এবছৰত চক্ৰবৃদ্ধি গণনা কেইবাৰত; $t$ = বছৰৰ হিচাপত সময়

**বেংকে সৰল সুত হাৰত ঋণ নিদিয়ে*



**চক্ৰবৃদ্ধিৰ শক্তি**

১০% সৰল সুত হাৰত* ১০,০০০ টকা ১০ বছৰৰ বাবে বিনিয়োগ কৰিলে হ'বগৈ ২০,০০০ টকা

কিন্তু, ১০% হাৰত তিনিমাহৰ মূৰে মূৰে চক্ৰবৃদ্ধি কৰিলে হ'বগৈ ২৬,৮৫১ টকা

[ = ১০০০০ * (১+((১০/১০০))/৪)))^ *১০
= ১০০০০* ২.৬৮৫১
= ২৬.৮৫১]

সেয়েহে, চক্ৰবৃদ্ধি হাৰত ৬,৮৫১ টকা বা ৩৪% অধিক সুত হয়!!!

**মনত ৰাখিব**

দীঘলীয়া সময়ৰ বাবে টকা বিনিয়োগ হৈ থাকিলে, চক্ৰবৃদ্ধিৰ পৰা বৃহৎ লাভ হয়।

*বেংকে সৰল সুত হাৰত ঋণ নিদিয়ে*

## বাৰ্তা ৩ { মূদ্ৰাস্ফীতি }



**২০১৯**
ধৰি লওক আপুনি ১ কিলো আম
১০০ টকাত পাইছিল



**২০২০**
সেই ১ কিলো আমত এতিয়া
পৰে ১১০ টকা

---

মূদ্ৰাস্ফীতি ১ বছৰত

মূদ্ৰাস্ফীতি = ১১০ টকা - ১০০ টকা = ১০ টকা

Or

(10/100)*100 = 10%

---



গতিকে, মূদ্ৰাস্ফীতি হ'ল এছোৰা সময়ত পণ্য আৰু সেৱাত হোৱা মূল্যবৃদ্ধি। ইয়াৰ ফলত জীৱন নিৰ্বাহৰ খৰচ বাঢ়ে।

### তলৰ পৰিস্থিতি কেইটা মন কৰক

**দৃশ্যপট ১**

টকা বছৰি ৬% সুতত জমা ৰখা

প্ৰতিপ্ৰাপন ৬%

মূদ্ৰাস্ফীতি ৪%

প্ৰকৃত প্ৰতিপ্ৰাপন হাৰ ঃ

প্ৰতিফল - মূদ্ৰাস্ফীতি % = ৬% - ৪% = ২%

**অৰ্থাৎ যোগাত্মক প্ৰতিফল**

**দৃশ্যপট ২**

টকা জমা নথৈ নগদ ৰখা

প্ৰতিফল ০%

মূদ্ৰাস্ফীতি ৪%

প্ৰকৃত প্ৰতিপ্ৰাপন হাৰ ঃ

প্ৰতিফল% মূদ্ৰাস্ফীতি % = ০% - ৪% = - ৪%

**অৰ্থাৎ বিয়োগাত্মক প্ৰতিফল**

নগদ টকাৰ মূল্য ৪% হাৰত কমে,
কিয়নো মূদ্ৰাস্ফীতি আছিল ৪%

ওপৰৰ তুলনাৰ পৰা বুজিব পাৰিব, উচিৎ বিত্তীয় সামগ্ৰীত যিটোৱে নেকি অন্ততঃ মূদ্ৰাস্ফীতিতকৈ বৰ্ধিত হাৰত প্ৰতিফল দিয়ে, তাতে বিনিয়োগ কৰাটো কিমান গুৰুত্বপূৰ্ণ কথা।

## বাৰ্তা ৪ { টকাৰ সময় মূল্য }

টকাৰ সময়-মূল্যৰ অৱধাৰণাটো হ'ল এতিয়া পোৱা টকাখিনিৰ মূল্য ভৱিষ্যতে পাব লগীয়া একে সমান টকাতকৈ অধিক, যিহেতু ইয়াৰ নিহিত আয় ক্ষমতা থাকে, যদিহে সুতৰ হাৰ যোগাত্মক। আজিৰ ১০০ টকাৰ মূল্যটো দুবছৰৰ পাছত পাব লগীয়া ১০০ টকাৰ সমান নহয়।



তলৰ তুলনা দুটালৈ মন কৰক য'ত সুত বা হাৰ
**১০%**

১০% হাৰত বিনিয়োগ কৰা ১০০ টকাৰ মূল্য ২ বছৰত ১২১ টকা হয়গৈ। ইয়াকে বৰ্তমান নগদ স্ৰোতৰ **ভৱিশ্যত মূল্য** বুলি কয়।

ওলোটাকৈ চালে, একে পৰিস্থিতিত, ২ বছৰৰ পাছত পোৱা ১২১ টকাৰ মূল্য আজিৰ ১০০ টকাৰ সমান। ইয়াকে ভৱিষ্যত নগদ স্ৰোতৰ **বৰ্তমান মূল্য** বুলি কয়। ২ বছৰৰ পাছত পোৱা ১২১ টকাৰ মূল্যটো হ'ল আজিৰ ১০০ টকা।

এইদৰে আমি বুজি পালো যে টকাৰ **'সময় মূল্য'** থাকে।

**মনত ৰাখিব**

টকা চালি-জাৰি বিনিয়োগ নকৰিলে, মূদ্ৰাস্ফীতি হেতু ইয়াৰ মূল্য কমিবগৈ পাৰে। ধৰি লওক, ৫% হাৰত ১০০ টকা বিনিয়োগ কৰা হ'ল, যিছোৰা সময়ত মূদ্ৰাস্ফীতি ৭%, তেনে ক্ষেত্ৰত প্ৰকৃত প্ৰত্যৰ্পন হ'ব (-২%)! টকাৰ মূল্য ২ পৰ্যন্ত কমিল।

এতেকে, মূদ্ৰাস্ফীতি আৰু অন্যান্য কাৰকবোৰৰ প্ৰতিপূৰ্তিৰ কাৰণে, বিত্তীয় প্ৰতিষ্ঠানবোৰে আপুনি জমা ৰখা টকাৰ ওপৰত সুত দিয়ে আৰু আপুনি ধাৰে লোৱা টকাৰ বাবদ সুত বিহে। সেয়েহে টকাৰ ভৱিষ্যত মূল্য অক্ষুন্ন ৰাখিবলৈ হ'লে টকা সঞ্চয় কৰিব লাগিব আৰু মূদ্ৰাস্ফীতিৰ হাৰতকৈ অধিক প্ৰতিফলৰ হাৰ দিয়া সমুচিত বিত্তীয় সামগ্ৰীবোৰত বিনিয়োগ কৰাটো অতি আৱশ্যকীয়।




# বাৰ্তা ৫ { বিপদাশংকা বনাম প্ৰতিপাপন }

প্ৰতিটো বিনিয়োগতে কিছু বিপদাশংকা থাকেই।

সাধাৰণতে, বিপদাশংকা আৰু প্ৰতিপাপনৰ মাজত পোনপটীয়া পাৰস্পৰিক সম্পৰ্ক থাকে। প্ৰত্যাশিত প্ৰতিপাপন যিমানেই অধিক, বিপদাশংকাও সিমানেই অধিক (প্ৰাৰম্ভিক বিনিয়োগখিনিও হেৰুওৱাৰ সম্ভাৱনাকে ধৰি)

আৰু নিম্ন প্ৰতিপাপনত বিপদাশংকাও নিম্ন।







বিত্তীয় সামগ্ৰীবোৰত বিনিয়োগ বা সঞ্চয় কৰোতে মন কৰিবলগীয়া কথাটো হ'ল **বিপদাশংকা বনাম প্ৰতিকূল প্ৰতিপাপন পৰিস্থিতি**। উচ্চ প্ৰতিফল প্ৰত্যাশিত প্ৰতিপাপনত উচ্চ বিপদাশংকা নিহিত থাকে আৰু থাকে সম্ভাব্য ক্ষতিৰ সম্ভাৱনা।




## বিচিক্ষণতাৰ আপোনাৰ টকা বিনিয়োগ কৰক !

সাৱধান ! উচ্চ নিৰিখত পৰিশোধন আৰু কম অবধিৰ পৰিশোধ আঁচনি বিপদজনক। বিপদৰ কথা নুবুজি পৰিশোধন পোৱাৰ বৃথা চেষ্টা নকৰিব। আঁচনি প্ৰদান কৰা প্ৰতিষ্ঠানৰ প্ৰণালী আতিগুৰি আৰু কাৰ্য্য সম্পূৰ্ণকৈ পৰীক্ষা কৰি চাওঁক। নিয়ম আৰু চৰ্তাৱলীসমূহ সাবধানে পঢ়ক। অজ্ঞাত প্ৰতিষ্ঠানৰ সত্য বুলি ভাবিব নোৱাৰা অতি ভাল আঁচনিৰ দ্বাৰা প্ৰলোভিত হোৱাৰ আগতে অধ্যয়ণ কৰক আৰু মনোযোগ দিয়ক।

কোনো প্ৰতিষ্ঠানে জমা টকাৰ পৰিশোধন বা কোনো আঁচনিত সংগৃহীত টকাৰ পৰিশোধন নকৰা বাতৰিৰ সংবাদ দিয়াৰ বাবে বা আপত্তি নথিভুক্ত কৰাৰ বাবে www.sachet.rbi.org.in

# বাৰ্তা ৬ { ভিন্নমুখীকৰণ }

আমি আটায়ে এই পুৰণা কথাষাৰ জানো



আপোনাৰ গোটেই কণীখিনি একেটা পাঁচিত নাৰাখিব

ভিন্নমুখীকৰণ প্ৰক্ৰিয়াটো হ'ল আপোনাৰ টকাখিনি ভিন-ভিন সম্পদত বিনিয়োগ কৰা




### ভিন্নমুখী কিয়

বিভিন্ন সম্পদত বিনিয়োগৰ দ্বাৰা ভিন্নমুখী কৰাৰ কাৰণটো হ'ল কোনোবা এটা বা একাধিক সম্পদৰ মূল্য কমি যোৱাৰ ফলত হোৱা লোকচানৰ পৰা নিজকে সুৰক্ষিত কৰা। যিহেতু বিভিন্ন সম্পদৰ প্ৰতিপাপনবোৰ একেলগে পৰি নাযায়, এটা সম্পদৰ মূল্য পৰি গলে সেইখিনিক অন্য এটা সম্পদৰ বৰ্ধিত মূল্যই প্ৰতিপূৰণ কৰিব। এই প্ৰক্ৰিয়াৰে বিনিয়োগবোৰক লোকচানৰ পৰা সুৰক্ষিত কৰিব পাৰি।

বিত্তীয় সাক্ষৰতা বাৰ্তাবোৰ (FAME)

# বুনিয়াদী বেংকিং




বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ, আৰ বি আই

বাৰ্তা ৭

# বাজেট প্ৰস্তুতকৰণ, সঞ্চয় আৰু দায়িত্বশীলতাৰে ঋণ লোৱা

## বাজেট প্ৰস্তুতকৰণ



### বাজেট নো কি ?

সহজ কথা, ই হ'ল আপোনাৰ ভৱিষ্যতৰ আয় আৰু ব্যয়ৰ এক পৰিকল্পনা। বাজেট বছেৰেকীয়া, মাহিলী এনেকি সাপ্তাহিকো হ'ব পাৰে।

### বাজেট নো লাগেই বা কিয় ?

বাজেট এখন থাকিলে, আপুনি নিজৰ ব্যয়বোৰ ভালকৈ নিয়ন্ত্ৰণ কৰিব পাৰিব আৰু সঞ্চয়ো বঢ়াব পাৰিব। প্ৰকৃততে হোৱা খৰচৰ সৈতে বাজেটখন ৰিজাই চালে আপুনি কত কত বেছিকৈ (বা কমকৈ) খৰচ কৰিলে জানিব পাৰিব।

> বাজেটৰ অন্তিম লক্ষ্যটো হৈছে আপোনাৰ বিত্তখিনি পৰিকল্পিত কৰাত সহায় কৰা

## সঞ্চয়



### সঞ্চয়নো কি ?

সঞ্চয়ক নিমোক দৃষ্টিৰে চোৱা সমীচিন ঃ

সঞ্চয় = আয় - ব্যয় ✗

ব্যয় = আয় - সঞ্চয় ✓

যিকোনো খৰচ কৰাৰ আগত আপোনাৰ
উপাৰ্জনৰ এটা অংশ
বচাই ৰাখিব লাগে

### সঞ্চয় কত কৰিব ?

সঞ্চয় কৰোতে মনত ৰাখিবলগীয়া তিনিটা কথা হ'ল - **সুৰক্ষা, চলনিধি আৰু প্ৰতিপাপন**

**সুৰক্ষা** নিৰ্ভৰ কৰিব আপোনাৰ মূলৰাশি বা বিনিয়োগখিনিয়ে নিৰ্দিষ্ট এটা সম্পদৰ পৰা প্ৰতিপাপন পোৱাৰ নিশ্চিত/নিশ্চয়তাৰ ওপৰত। চৰকাৰী বণ্ডবোৰ সবাতোকৈ সুৰক্ষাত। বেংকৰ ম্যাদী জমাও তুলনামূলকভাৱে সুৰক্ষিত। **চলনিধি** নিৰ্ভৰ কৰিব মূল্যৰ নূন্যতম ক্ষতিৰে এটা সম্পদ কিমান সহজ বিক্ৰী কৰিব পৰা যায়। বেংক জমা, তালিকাভুক্ত আৰু বেচা-কিনা হোৱা ইকুইটী অংশ আৰু মিউচুৱেল ফাণ্ডক বেছি লিকুইড বা চলনিধিযোগ্য বুলি বিবেচনা কৰা হয়।

**প্ৰতিপাপন** নিৰ্ভৰ কৰিব বিত্তীয় সামগ্ৰীবিধৰ বিশিষ্টতা আৰু সামগ্ৰীবিধত থকা বিপদাশংকাৰ প্ৰকাৰৰ ওপৰত।

ইকুইটী অংশবোৰে অধিকতৰ প্ৰতিপাপন দিব পাৰে, কিন্তু তাত বিপদাশংকাও বেছি হ'ব পাৰে।

**সঞ্চয় কৰোতে মনত ৰাখিবলগীয়া কথাটো**

- নিশ্চিত কৰি ল'ব যাতে আপোনাৰ সঞ্চয়খিনি ভিন ভিন লিখতবোৰতহে বিনিয়োগ হয় (ভিন্নমুখীকৰণ বাৰ্তা চাই ল'ব)
- এটা অংশ চলনিধিযুক্ত সম্পদত ৰাখিব যাতে আৱশ্যক হোৱা সময়ত টকাখিনি উলিয়াব পাৰে।
- আপোনাৰ টকা অতিশয় বিপদাশংকাযুক্ত/অনিয়মিত লিখতত নলগাব, গোটেইখিনি হানি হ'ব পাৰে!!!

## দায়িত্ব সহকাৰে ঋণ লোৱা

মূল্য বঢ়োৱা বা প্ৰতিপাপন দিয়া সম্পদত বিনিয়োগৰ বাবে ধাৰ ল'ব লাগে। ঘৰ কিনাৰ বাবে বন্ধকী ঋণ লোৱা, সন্তানৰ উচ্চ শিক্ষাৰ কাৰণে শিক্ষা ঋণ লোৱা আদি ভাল ঋণৰ উদাহৰণ।



সা-সম্পত্তিত বিনিয়োগ কৰিবলৈ



শিক্ষাত পুঁজি লগাবলৈ



ব্যক্তিগত খৰচৰ বাবে



ক্ৰেডিট কাৰ্ড জধে মধে ব্যৱহাৰ কৰি খৰচ জোটাবলৈ

**কাৰ পৰা ঋণ ল'ব?**

বেংক, এনবিএফচি আৰু এইছএফচিবোৰৰ পৰা টকা লোৱা ভাল যিহেতু এইবোৰ সত্ত্বা নিয়মিতভাৱে থাকে, অধিক স্বচ্ছ, মহাজনৰ নিচিনাকৈ অধিক হাৰ নলগায় আৰু নিয়ামন অনুপালন বা সেৱাত বিচ্যুত হলে আভ্যন্তৰীণ আৰু নিয়ামকৰ ওচৰত, বিনামুলীয়া অভিযোগ নিৰসনৰ সুবিধা আগবঢ়ায়।

**ঋণ লোৱাই দিয়াৰ নামত আপুনি প্ৰৱঞ্চিত হ'ব পাৰে**

মাচুল লৈ ঋণ পোৱাত সহায় কৰিবলৈ অহা এজেন্টৰ পৰা সাৱধান হৈ থাকিব। বেংক/এনবিএফচি/এইছএফচি বা ব্যৱসায় প্ৰতিনিধি (বিচি)ৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰিব।

## বাৰ্তা ৮ { জমা একাউন্ট }

**নিষ্ক্ৰিয় সঞ্চয় বনাম সক্ৰিয় সঞ্চয়**

নিয়মীয়া সঞ্চয় বেংক একাউন্টত ৰখা টকাত কম সুত হাৰ থাকে, সেয়েহে ইয়াক নিষ্ক্ৰিয় সঞ্চয় বুলিব পাৰি। সঞ্চয় একাউন্টত বেছি টকা নাৰাখিব!



তাতকৈ বেছি ভাল প্ৰতিপাপন দিয়া বেংকৰ পৌনঃপৌনিক ম্যাদী জমা একাউন্টত বিনিয়োগ কৰক

*অন্যান্য সুপ্ৰথাবোৰ ঃ*

- পাছবুক/হিচাপ প্ৰবিৰৰণ লোৱা আৰু সময়ে সময়ে প্ৰৱিষ্টিবোৰ মিলাই চোৱা
- চেক বুক (যদি লৈছে) নিৰাপদে ৰখা
- নিজৰ ইন্টাৰনেট বেংকিং (যদি আছে) আই ডি / পাছৱৰ্ড আন কাকো নিদিয়া
- কাকো ডেবিট কাৰ্ড (যদি লৈছে) পিন নিদিয়া
- অনলাইন লেনদেনৰ কাৰণে পোৱা অটিপি (এককালীন পাছৱৰ্ড) অন্য কাকো নিদিয়া

### মনোনয়ন কি আৰু কিয় লাগে

একক ধাৰকৰ একাউন্টত জমাকৰ্তাৰ মৃত্যু আৰু যুটীয়া একাউন্টৰ ক্ষেত্ৰত সকলো জমাকৰ্তাৰ মৃতুৰ পাছত বেংক একাউন্টত পৰি থকা টকাখিনি (মৃত জমাকৰ্তাৰ বৈধ উত্তৰাধিকাৰীৰ ন্যাসৰক্ষী হিচাপে) গ্ৰহণ কৰিবলৈ অধিকাৰপ্ৰাপ্ত ব্যক্তিকে মনোনীত বোলা হয়। মনোনয়নে খৰতকীয়া দাবী নিষ্পত্তিত সহায় কৰে আৰু পৰিয়ালটোৰ জীৱিত সদস্যসকলৰ অভাৱ লাঘৱ কৰে।

> “বেংক একাউন্ট এটা খোলোতে সদায় মনোনয়ন প্ৰপত্ৰখন পূৰাব।”

### প্ৰাক পৰিপক্ক

ম্যাদী জমাবোৰ সাধাৰণতে এক নিৰ্দিষ্ট/নিৰ্দ্ধাৰিত অবধিৰ বাবে কৰা হয়। অবধিটো অন্ত পৰাৰ আগতেই যদি আপুনি সেই ৰাশি উলিয়াব বিচাৰে, তেন্তে প্ৰাক-পৰিপক্ক প্ৰত্যাহাৰ কৰা বেংকে আপোনাক এটা ভৰণী বিহিব।

জমাকৰ্তাৰ মৃত্যুৰ ক্ষেত্ৰত, প্ৰাক-পৰিপক্ক প্ৰত্যাহাৰৰ বাবে কোনো ভৰণী দিব নালাগে।



# বাৰ্তা ৯ { ক্ৰেডিট স্কৰ }

## ক্ৰেডিট স্কৰ কি ?

- ক্ৰেডিট স্কৰে (তিনিটা অংকৰ এটা সংখ্যা) ধাৰ লোৱা ব্যক্তি এজনৰ ঋণলাভৰ যোগ্যতা সূচায় আৰু তেওঁৰ ঋণ ইতিহাস আৰু অন্যান্য কাৰকবোৰৰ ওপৰত ভিত্তি কৰি ইয়াক যুগুতোৱা হয়।
- ঋণ তথ্য কোম্পানী এটাই প্ৰস্তুত কৰা ঋণ তথ্য প্ৰতিবেদনৰ সৈতে ইয়াক দিয়া হয়।
- ধাৰে লোৱা ব্যক্তিয়ে বেংক/বিত্তীয় প্ৰতিষ্ঠানৰ পৰা লোৱা ঋণ সদায় সময় মতে পৰিশোধ কৰিলে ক্ৰেডিট স্কৰ উচ্চতৰ হয়।




যিমানেই স্ক'ৰ বেছি সিমানেই ঋণ লাভৰ যোগ্যতা বেছি আৰু ধৰুৱা দায়িত্বশীলতা বাঢ়ে।

## ক্ৰেডিট স্কৰৰ গুৰুত্বপূৰ্ণ কিয় ?

- বেংক/বিত্তীয় প্ৰতিষ্ঠানবোৰে আপোনাৰ ঋণ মজুৰ কৰাৰ বেলিকা অন্যান্য কাৰকবোৰৰ লগতে আপোনাৰ ক্ৰেডিট স্কৰ আৰু খৰচৰ ইতিহাস নিশ্চিত কৰে/মিলাই চায়।
- সকলো অন্যান্য কথা একে পোৱা গ'লে, উচ্চতৰ ক্ৰেডিট স্কৰ থকা ঋণীয়ে সাধাৰণতে কম সুত হাৰত ঋণ লাভ কৰিব পাৰে।



**গতিকে প্ৰশ্নটো হ'ল, আপুনি নিজৰ ক্ৰেডিট স্কৰ কেনেকৈ উন্নত কৰিব পাৰে?**

- নিজৰ সাধ্যই আঁটে মানেহে ধাৰ ল'ব, অৰ্থাৎ আপুনি যিমানখিনি নিয়মীয়াকৈ আৰু সময় মতে পৰিশোধ কৰিব পাৰে।
- নিশ্চিত হ'ব যাতে কোনো কাৰণতে পৰিশোধ কিস্তি বাদ নপৰে।
- পাৰিলে আগতে ঋণ পৰিশোধ কৰিব, আপোনাৰ ঋণ ইতিহাস ভাল হ'ব।

বাৰ্তা ১০

# নতুন বৰ্গৰ বেংক আৰু ব্যৱসায় প্ৰতিনিধি

বিগত বছৰকেইটাত পৰম্পৰাগত বেংকবোৰৰ উপৰি পেমেন্ট বেংক আৰু ক্ষুদ্ৰ বিত্ত বেংকৰ দৰে অন্যবৰ্গৰ বেংকবোৰোৰ প্ৰতিষ্ঠা আহিছে। এই দুয়োবিধ বেংক স্থাপনৰ মুখ্য উদ্দেশ্যটো হ'ল এক সুৰক্ষিত, প্ৰযুক্তি চালিত পৰিৱেশৰ যোগেদি অধিকতৰ বিত্তীয় অন্তৰ্ভুক্তিৰ প্ৰসাৰ ঘটোৱা।

## প্ৰদান বেংকবোৰ


- গ্ৰাহকে প্ৰতি ১ লাখ টকালৈকে ৰাইজৰ পৰা দাবী-ভিত্তিক জমা ল'ব পাৰে কিন্তু পৌনঃ পৌণিক/ম্যাদী জমাবোৰ ল'ব নোৱাৰে।
- এটিএম/ডেবিট কাৰ্ড জাৰি কৰিব পাৰে কিন্তু ক্ৰেডিট কাৰ্ড নোৱাৰে।
- কোনো ঋণ বা অগ্ৰিম ধন দিব নোৱাৰে।




তেওঁলোকে বিভিন্ন প্ৰণালীযোগে প্ৰদান আৰু প্ৰেৰণ সেৱাবোৰো আগবঢ়াব পাৰে আৰু মিউচুৱেল ফাণ্ড তথা বীমা সামগ্ৰীবোৰ বিতৰণ কৰিব পাৰে।

## ক্ষুদ্ৰ বিত্ত বেংকবোৰ

ক্ষুদ্ৰ বিত্ত বেংকবোৰে মূলতঃ সমাজৰ  সেৱা বঞ্চিত আৰু কম সেৱাপ্ৰাপ্ত শ্ৰেণীসমূহলৈ সঞ্চয় বাহন আগবঢ়ায় আৰু উচ্চ প্ৰযুক্তিভিত্তিক কম খৰচী সঞ্চালনৰ যোগেদি ক্ষুদ্ৰ ব্যৱসায় গোট, অনু ক্ষুদ্ৰ ব্যৱসায়িক প্ৰতিষ্ঠান, ক্ষুদ্ৰ আৰু উপান্ত কৃষক, অসংগঠিত খণ্ডৰ সত্ত্বাবোৰলৈ ক্ষুদ্ৰ পৰিসৰৰ (২৫ লাখ টকা পৰ্যন্ত) ঋণ আগবঢ়ায়।



## ব্যৱসায় প্ৰতিনিধি (বি চি)



বি চি হ'ল একোটা বেংকৰ এগৰাকী প্ৰতিনিধি যিগৰাকীয়ে গ্ৰাহকৰ ওচৰলৈ (সাধাৰণতে আওহতীয়া ঠাই/গাঁৱৰ) গৈ তেওঁলোকৰ বেংকিং চাহিদা পূৰণ/টকা লেনদেনত সহায় কৰে।

বি চি গৰাকীয়ে আপোনাক তলৰ সেৱাবোৰ আগবঢ়াব পাৰে ঃ

- বেংক একাউন্ট খোলা
- টকা জমা কৰা আৰু উলিওৱা
- এটা একাউন্টৰ পৰা অইন এটা একাউন্টলৈ টকা প্ৰেৰণ
- ঋণ আবেদন সংগ্ৰহ কৰা
- ক্ষুদ্ৰ মূল্যৰ ঋণ বিতৰণ

### দ্ৰষ্টব্য

**আপুনি পাৰে**

- আপোনাৰ অঞ্চলটোত বি চি আছেনে নাই জানিবলৈ ওচৰৰ বেংক শাখাৰ লগত যোগাযোগ কৰিব।
- সন্দেহ থাকিলে, আপোনাৰ বেংকৰ পৰা বি চি গৰাকীৰ নাম আৰু সবিশেষ খাতাংকৈ জানিব।
- ওচৰৰ বি চি গৰাকীক বিচাৰি উলিয়াবলৈ **https://www.iba.org.in/bcregistry** চাব পাৰে।
- বি চি গৰাকীৰ সেৱাত সন্তুষ্ট নহ'লে আপোনাৰ বেংকত অভিযোগ দাখিল কৰিব।

বিত্তীয় সাক্ষৰতা বাৰ্তাবোৰ (FAME)

# ডিজিটেল বিত্তীয় সাক্ষৰতা



বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ, আৰ বি আই

# বাৰ্তা ১১ { খুচুৰা প্ৰেৰণবোৰ }

এন ই এফ টি, আৰ টি জি এছ আৰু আই এম পি এছ হ'ল টকা স্থানান্তৰণৰ বাবে বেংকবোৰে আগবঢ়োৱা সবাতোকৈ জনপ্ৰিয় খুচুৰা প্ৰেৰণ প্ৰণালী। বেংক শাখাটোত অথবা আপোনাৰ বেংকে আগবঢ়োৱা ইন্টাৰনেট বেংকিং, মোবাইল বেংকিং আদিৰ লেখীয়া অনলাইন প্ৰণালীযোগে এই বোৰ পোৱা যায়।

এই গ্ৰাফিকে প্ৰণালী তিনিটা বুজাইছে ঃ

| বৈশিষ্ট্য | এন ই এফ টি | আৰ টি জি এছ | আই এম পি এছ |
|---|---|---|---|
| স্থানান্তৰণৰ বাবে লোৱা সময়  | কেইঘন্টামান | লগে লগে | লগে লগে |
| গ্ৰাহকৰ লেনদেনৰ বাবে কামৰ সময়  | ২৪/৭ দিনটোৰ সকলো সময়তে আনকি সপ্তাহান্তিক আৰু বেংক বন্ধৰ দিনতো | পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ সপ্তাহৰ কৰ্মদিনবোৰ আৰু খোলা শনিবাৰত | ২৪/৭ আনকি সপ্তাহান্তিক আৰু বেংক বন্ধৰ দিনতো |
| নিম্নতম ৰাশি আৱশ্যক  | ন্যূনতম ৰাশি নাই | ২ লাখ টকা | নুন্যতম ৰাশি নাই |
| স্থানান্তৰ কৰিব পৰা সৰ্বোচ্চ ৰাশি  | যিকোনো ৰাশি | যিকোনো ৰাশি | ২ লাখ টকা |

# বাৰ্তা ১২ { ইউনিফাইড পেমেন্ট ইন্টাৰফেচ }

ইউনিফাইড পেমেন্ট ইন্টাৰফেচ বা ইউ পি আই হ'ল এটা প্লেটফৰ্ম যি ইন্টাৰনেট একচেছ থকা স্মাৰ্টফোন ব্যৱহাৰ কৰি দুটা বেংক একাউন্টৰ মাজত টকা স্থানান্তৰণ কৰায় ইউ পি আই লেনদেন সূচল কৰাৰ বাবে আপুনি ভীম এপ্ বা বেংকটোৰ অন্য কোনো এপ্ বা তৃতীয় পক্ষ এপো ব্যৱহাৰ কৰিব পাৰে।




## ই কেনেকৈ কাম কৰে

**প্ৰয়োজনীয় আহিলা সমূহ ঃ**

আপোনাৰ এটা বেংক একাউন্ট, সেই বেংক একাউন্টত সংযোজিত এটা মোবাইল নম্বৰ আৰু ইন্টাৰনেট সংযোগ থকা স্মাৰ্টফোন লাগিব। মোবাইল ফোনত ইউ পি আই স্থাপনৰ বাবে একাউন্টটোত সংযোজিত ডেবিট কাৰ্ডো এবাৰ লাগিব।

## ইউ পি আই কেনেকৈ সক্ৰিয় কৰিব

- আপোনাৰ স্মাৰ্টফোনত এপটো ডাউনলড কৰিব আৰু বেংক একাউন্টটো লিংক কৰিব আৰু এপ্‌ত দিয়া নিৰ্দেশনা মতে ইউ পি আই পিন এটা সৃষ্টি কৰিব।
- ইউ পি আইৰ ব্যৱহাৰ আপোনাৰ ইউ পি আই পিনটো ব্যৱহাৰ কৰি মাত্ৰ হিতাধিকাৰীৰ ৰ্ভাচুৱেল এড্ৰেছটো জানি লৈ যিকোনো হিতাধিকাৰীলৈ নিষ্কন্টকভাৱে টকা প্ৰেৰণ কৰিব পাৰে।
- হিতাধিকাৰীৰ ভাৰ্চুৱেল এড্ৰেছ নাথাকিলে, একাউন্ট নম্বৰ আৰু আই এফ এছ চি যোগে টকা হিতাধিকাৰীলৈ প্ৰেণ কৰিব পাৰে।

### ইউ পি আইৰ উপকাৰবোৰ কি

- লগে লগে টকা পঠিয়াব আৰু গ্ৰহণ কৰিব পাৰে
- ২৪/৭, ৩৬৫ দিনতে আনকি বন্ধৰ দিন আৰু ৰবিবাৰেও স্মাৰ্টফোন ব্যৱহাৰ কৰি টকা স্থানান্তৰিত কৰিব পাৰে।
- ভাৰ্চুৱেল আই ডিৰ ব্যৱহাৰে টকা স্থানান্তৰণ সহজ কৰি তোলে আৰু স্পৰ্শকাতৰ বেংক একাউন্ট তথ্যবোৰ আনক জনোৱাৰ প্ৰয়োজন নাথাকে।

ইউ পি আইৰ ক্ষেত্ৰত তলৰ **কৰিবলগীয়া আৰু নকৰিবলগীয়া** খিনি মনত ৰাখিব

**কৰিব**

- ইউ পি আই এপ্ আপডেট কৰি ৰাখিব
- দোকানী/ব্যক্তিৰ সংগ্ৰহ অনুৰোধটো গ্ৰহণৰ পূৰ্বে সদায় সেইটো পুনৰীক্ষণ কৰিব
- স্থানান্তৰণ কাৰ্যকৰী কৰাৰ আগতে ৰাশি আৰু হিতাধিকাৰী পুনৰবাৰ পৰীক্ষা কৰি নিশ্চিত হৈ ল'ব

**নকৰিব**

- কাকো আপোনাৰ পিনটো জানিবলৈ নিদিব
- প্ৰথমে প্ৰাপকগৰাকীৰ সত্যাসত্য চাই/পুনৰ নিশ্চিত নোহোৱাকৈ টকা স্থানান্তৰ কৰাৰ পৰা বিৰত থাকিব

বাৰ্তা ১৩

# ইলেকট্ৰনিক বেংকিং লেনদেনৰ বাবে কি কৰিব আৰু কি নকৰিব

অনলাইন আৰু মোবাইল বেংকিং



## কৰিব

- সদায় প্ৰদানবোৰৰ (Sএ সুৰক্ষিত বুজায়) বাবে কেৱল সত্য নিৰূপিত আৰু বিশ্বাসযোগ্য ব্ৰাউজাৰ ব্যৱহাৰ কৰিহে আপোনাৰ বেংকৰ ইউ আৰ এল টাইপ কৰিব। ইউ আৰ এল উইণ্ডত (ইমেজ) সুৰক্ষিত চিহ্ন (লক)ৰ বাবে চাব।
- আপোনাৰ পাছৱৰ্ড, সাংকেতিক চিহ্ন আৰু বিশেষ আখৰ যুক্ত কৰি (#, *, @, $ আদি) ব্যৱহাৰ কৰি আনে অনুমান কৰিব নোৱাৰা কৰিব।
- সঘনাই নিজৰ পাচৱৰ্ড সলনি কৰি থাকক।
- সদায় আপোনাৰ প্ৰদান লেনদেন এপবোৰ (বেংক, অনা-বেংক ৱালেট আদি) শেহতীয়া ভাৰ্ছনৰে আপডেট কৰি থাকিব।
- আপোনাৰ মোবাইল নম্বৰ আৰু ই-মেইল আই ডি নিজৰ বেংক একাউন্টত লিংক কৰিব আৰু এছ এম এছ ই-মেইল সতৰ্কীকৰণ সেৱা ল'ব।
- কোনো অস্বাভাৱিক/অৰ্কতৃত্বশীল লেনদেনৰ ক্ষেত্ৰত, তৎক্ষণাত নিজৰ বেংকক জনাব।

## নকৰিব

- অনলাইন চাৰ্হযোগে কেতিয়াও আপোনাৰ বেংকৰ ৱেবছাইট নাচাব।
- কেতিয়াও ফোনত লগইন পৰিচায়ক ষ্টৰ নকৰিব, ভৰসা নথকা পৰ্টেল চাৰ্ভিছ প্ৰভাইডাৰতো নাৰাখিব।
- পৰাপক্ষত ৰাজহুৱা ডিভাইছ, চাইবাৰ কাফে আৰু ৰাজহুৱা বিনামূলীয়া ৱাই-ফাইযোগে লেনদেন নকৰিব।
- কাকো (বেংক কৰ্মচাৰীকো) নিজৰ মোবাইল বেংকিং পিন বা ইন্টাৰনেট বেংকিং আই ডি, পাছৱৰ্ড আৰু ও টি পি নিদিব।

বাৰ্তা ১৪

# এ টি এম লেনদেনৰ বাবে কি কৰিব আৰু নকৰিব

কাৰ্ড হেৰালে, চুৰি হ'লে বা আনে হেৰফেৰ কৰা যেন লাগিলে ততালিকে কাৰ্ডখন ব্লক কৰি দিবলৈ আপোনাৰ বেংকক ক'ব।




তলত দিয়া **কৰিবলগীয়া আৰু নকৰিবলগীয়াখিনি** মানি চলিব

## কৰিব

- মেগনেটিক ষ্ট্ৰিপযুক্ত কাৰ্ডৰ পৰিৱৰ্তে ই এম ভি চিপ আৰু পিনভিত্তিক ডেবিট কাৰ্ডৰ ব্যৱহাৰ সুনিশ্চিত কৰিব (মেগনেটিক ষ্ট্ৰিপযুক্ত কাৰ্ড সলাই দিবলৈ নিজৰ বেংকক কব)
- নিশ্চিত হৈ লব যাতে আপোনাৰ পিন কী-ইন কৰোতে বা কাৰ্ড ছোৱাইপ কৰোতে এটিএমৰ ওচৰত অকত্ব প্ৰাপ্ত কেমেৰা বা অন্য কোনো তথ্য কাঢ়ি লোৱা যতন নাথাকে।
- নিশ্চিত হৈ ল'ব যাতে এটিএমত কৰাৰ সময়ত পিনটো আনে নেদেখে। এহাতে পিন এন্টাৰ কৰোতে আনখন হাতেৰে কী-পেডখন ঢাকি ৰখা ভাল।
- এটিএমত ওলোৱা নোটবোৰ গনি লব আৰু পৰীক্ষা কৰি চাব।
- লেনদেনৰ পাছত নিজৰ কাৰ্ডখন লোৱাটো মনত ৰাখিব।
- এটিএম লেনদেনৰ এলাৰ্ট পাবলৈ আপোনাৰ কাৰ্ড প্ৰদানকাৰী বেংকত নিজৰ ফোন নম্বৰ পঞ্জীয়ন কৰিব।
- আপোনাৰ কাৰ্ডখন হেৰালে বা চুৰি হ'লে বা আনে হেৰফেৰ কৰা যেন পালে ততালিকে কাৰ্ডখন ব্লক কৰি দিবলৈ আপোনাৰ বেংকক কব।

**মন কৰিবলগা**

ৰিকল এটিএমৰ বিফল লেনদেন সম্পৰ্কীয় কিবা অভিযোগ থাকিলে, ততালিকে কাৰ্ড প্ৰদানকাৰী বেংকৰ দৃষ্টিগোচৰ কৰিব। এটিএম বিফল লেনদেনবোৰ বেংকে T+৫ দিনৰ ভিতৰতে নিষ্পত্তি কৰিব, অন্যথা আপোনাক দিনে ১০০ টকাকৈ ক্ষতিপূৰণ দিব লাগিব।

### নকৰিবলগীয়া

- কেতিয়াও আপোনাৰ এটিএম কাৰ্ডৰ সবিশেষবোৰ (কাৰ্ড নম্বৰ, ওকলাৰ দিন আৰু চি ভি ভি আদি) অন্য লোকক নজনাব।
- এটিএমত কাৰ্ডখন এৰি থৈ নাহিব।
- আপোনাৰ অটিপিটো কাকো নজনাব।
- কাৰ্ডখনত নিজৰ পিনটো লিখি নথব।

বাৰ্তা ১৫

# জাল (ডিজিটেল) লেনদেনৰ বাবে গ্ৰাহকৰ দায়িত্ব

ইলেকট্ৰনিক/এটিএম লেনদেন কৰোতে, অসাৱধনতা বা জালিয়াতিৰ হেতু আপোনাৰ লোকচান হোৱাৰ সম্ভাৱনা থাকে

### আপোনাৰ বেংকক জনাওক

- যাৰ দোষতে নহওক, আপোনাৰ একাউন্ট/কাৰ্ডত কোনো জাল বা অকৰ্তৃত্ব ইলেকট্ৰনিক বেংকিং লেনদেন হোৱা দেখিলে ততালিকে আপোনাৰ বেংকক জনাই দিয়ক।
- বেংকক জনোৱাত যিমানে পলম হ'ব আপোনাৰ বা আপোনাৰ বেংকৰ লোকচানৰ পৰিমানো সিমানেই বেচি হ'ব

### বেংকৰ দায়িত্ব

আপুনি বেংকক জনোৱাৰ পাছতো যদি জাল লেনদেন হৈ থাকে, ক্ষতিখিনি বেংকটোৱে ভৰিব লাগিব।

- আপুনি জনোৱা/দাখিল কৰা অভিযোগটোৰ বেংকে প্ৰাপ্তিস্বীকাৰ দিব লাগিব।
- বেংকটোৱে ৯০ দিনৰ ভিতৰত আপোনাৰ অভিযোগ নিষ্পত্তি কৰাটো বাধ্যতামূলক
- গ্ৰাহকে বেংকক জনোৱা তাৰিখৰ ১০ কৰ্মদিনৰ ভিতৰত বেংকে গ্ৰাহকৰ একাউন্টত সংশ্লিষ্ট ৰাশি জমা কৰিব।

### সীমিত দায়িত্ব

- যদিহে ক্ষতিটো গ্ৰাহকৰ অৱহেলাৰ (আনক পাচৱৰ্ড দিয়া আদি) কাৰণে হয়, বেংকক জনোৱা পৰ্যন্ত ক্ষতিখিনি গ্ৰাহকে ভৰিব।
- যদি গ্ৰাহকৰ অৱহেলা হোৱা নাই, আৰু গ্ৰাহকে ততালিকে (অকৰ্তৃত্বশীল লেনদেনৰ ৩ কৰ্মদিনৰ ভিতৰত) বেংকক জনাইছে, তেনে ক্ষেত্ৰত গ্ৰাহকগৰাকী দায়বদ্ধ নহয়।

অকৰ্তৃত্বপ্ৰাপ্ত ইলেকট্ৰনিক বেংকিং লেনদেনৰ যিবোৰ ঘটনাত বেংক নাইবা গ্ৰাহক কাৰো দায়-দায়িত্ব নাথাকে, প্ৰণালীটোৰ কৰবাতহে থাকে আৰু এনে লেনদেনৰ বিষয়ে গ্ৰাহকে বেংকক জনোবাৰ (বেংকৰ পৰা সঁহাৰি পোৱাৰ ৪ৰ পৰা ৭ কৰ্মদিনৰ) পিচতো পলম হয় গ্ৰাহকৰ প্ৰতিটো লেনদেনৰ দেয়তা লেনদেন মূল্য অথবা নিম্নোল্লেখিত ৰাখি যিটো কম হয় তাত সীমিত হ'ব

| একাউন্টৰ ধৰণ | সৰ্বাধিক দেয়তা |
|---|---|
| ● বি এছ বি ডি একাউন্টবোৰ | ৫০০০/- টকা |
| ● অন্যান্য সকলো এছ বি একাউন্ট<br>● প্ৰিপেইড পেমেন্ট লিখত আৰু গিফ্‌ট কাৰ্ড<br>● এম এছ এম ই বোৰৰ কাৰেন্ট/কেশ্ব ক্ৰেডিট/অভাৰ ড্ৰাফ্‌ট একাউন্টবোৰ<br>● ২৫ লাখ টকা পৰ্যন্ত সীমাৰ বাৰ্ষিক গড় উদ্বৃত্ত (জালিয়াতি সংঘটনৰ পূৰ্বৰ ৩৬৫ দিনত) থকা ব্যক্তিবিশেষৰ কাৰন্টে একাউন্ট/কেশ্ব<br>● ৫ লাখ টকাৰ সীমা থকা ক্ৰেডিট কাৰ্ড | ১০০০০/- টকা |
| ● অন্য সকলো কাৰেন্ট/কেশ্ব ক্ৰেডিট/অভাৰ ড্ৰাফ্‌ট একাউন্ট<br>● ৫ লাখ টকাৰ অধিক সীমা থকা ক্ৰেডিট কাৰ্ড | ২৫০০০/- টকা |

**সাৱধান!**

যদি জাল লেনদেনটো আপোনাৰ অৱহেলা, অৰ্থাৎ নিজৰ পাছৱৰ্ড, পিন, অপিটি আদি অন্যক জনোৱাৰ বাবে হয়, বেংকক আপুনি অৱগত কৰালৈকে ক্ষতিখিনি আপুনি ভৰিব।

**মনত ৰাখিব**

আপোনাৰ বেংকক যোগাযোগ কৰাৰ সবিশেষবোৰ থিতাতে পোৱাকৈ ৰাখিব, যাতে জাল লেনদেনৰ বিষয়ে ততালিকে জনাব পাৰে।

বিত্তীয় সাক্ষৰতা বাৰ্তাবোৰ (FAME)

# গ্ৰাহক সুৰক্ষা



বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ, আৰ বি আই


# বাৰ্তা ১৬ { অপ-বিক্ৰী }




## মনত ৰাখিব

- সঞ্চয়ৰ লগত বীমা যুক্ত নকৰাটো ভাল ৰীতি। আপোনাৰ বীমা চাহিদা আৰু বিনিয়োগ অৱশ্যিকতাবোৰ সুকীয়াকৈ নিৰূপন কৰক।
- আপোনাৰ প্ৰয়োজন থাকিলেহে এটা বীমা পলিচী বা বিনিয়োগ সামগ্ৰী ল'ব। ল'বলৈ বেংকে আপোনাক বাধ্য কৰাব নোৱাৰে।
- চহী কৰাৰ আগতে আবেদন প্ৰপত্ৰবোৰ ভালকৈ পঢ়ি চাব। উকা প্ৰপত্ৰত কদাপিও চহী নকৰিব।
- আপুনি নিবিচৰাকৈ বেংকে যদি এটা সামগ্ৰী আপোনাক বিক্ৰী কৰে বা গুৰুত্বপূৰ্ণ স্বৰ্তাৱলী আপোনাক বুজায় নিদিয়ে আৰু বেংকত অভিযোগ দাখিল কৰিবলৈ সংকোচ নকৰিব আৰু বেংকৰ সঁহাৰিত আপুনি সন্তুষ্ট হ'ব নোৱাৰিলে, লিখিতভাৱে হওঁক বা আৰ বি আইৰ কমপ্লেইন্ট মেনেজমেন্ট চিষ্টিমেত (পৃষ্ঠা- ১৯ চাওক) আৰ বি আই লোকপালত অভিযোগ দাখিল কৰিব পাৰে।
- বেংকবোৰে নিজৰ শাখাবোৰত চকুত পৰাকৈ লোকপালৰ সবিশেষ ৰাখিব লাগে।

## বাৰ্তা ১৭ { সচেত প'ৰ্টেল }





### তেন্তে আপুনি কি কৰিব পাৰে ?


- আৰ বি আই, এছ ই বি আই, আই আৰ ডি এ আই, পি এফ আৰ ডি এ অথবা চৰকাত পঞ্জীভুক্ত বা তেওঁলোকৰ দ্বাৰা নিয়ামিত সত্বাবোৰতহে বিনিয়োগ কৰিব বা জমা ৰাখিব।
- অতি উচ্চ মুনাফাৰ লোভ দেখুওৱা আঁচনিবোৰৰ ফান্দত নপৰিব, সেইবোৰ ভুৱা আঁচনি হ'ব পাৰে।
- বেংকৰ হাৰতকৈ কম হাৰত ঋণ আগবঢ়োৱা সত্বাবোৰৰ পৰা ঋণ নলব। সেইবাবে প্ৰচেছিং মাচুল লৈ উধাও হ'ব পাৰে।

যিকোনো আঁচনিৰ অধীনত সংগ্ৰহ কৰা টকা বা জমাৰাশি পৰিশোধৰ ক্ষেত্ৰত গাফিলতি কৰা যিকোনো সত্বাৰ বিৰুদ্ধে অৱগত কৰিবলৈ বা অভিযোগ কৰিবলৈ ভিজিট কৰক- **www.sachet.rbi.org.in** ।

## বাৰ্তা ১৮ { অবিশ্বাস্যভাৱে ভাল ? }

**কথিত আছে**
কিবা নিদিয়াকৈ একোকে পোৱা নাযায়
কোনোবাই যদি বিনামূল্যে বা আপুনি
কেতিয়াও নিকিনা লটাৰী টিকটৰ প্ৰাইজৰ টকা
দিবলৈ আহে, ৰৈ দিব আৰু চিন্তা কৰিব- কিয় ?
ই অবিশ্বাস্যভাৱে ভাল নহয়নে ?




**এনেবোৰ ফান্দত নপৰিব ! মনত ৰাখিব ঃ**

- আৰ বি আইয়ে কেতিয়াও ই-মেইল / এছ এম এছ বা ফোনকল যোগে আপোনাৰ বেংক একাউন্ট / ক্ৰেডিট কাৰ্ড / ডেবিট কাৰ্ডৰ সবিশেষ; পিন আৰু ওটিপি আদি নিবিচাৰে।
- আৰ বি আয়ে ব্যক্তিবিশেষৰ ছেভিংছ একাউন্ট / কাৰেন্ট একাউন্ট / ফিক্সড ডিপোজিট নোখোলে আৰু ক্ৰেডিট কাৰ্ড / ডেবিট কাৰ্ডো নিদিয়ে বা ব্যক্তিবিশেষৰ কোনো লেনদেনত জড়িত নহয়।

অলীক প্ৰস্তাৱবোৰৰ পৰা আঁতৰি থাকক।
কাকো আপোনাৰ একাউন্টৰ তথ্যপাতি নিদিব



## আৰ বি আই কেহটা হেয় আৰু আৰ বি আই ছে

আৰ বি আইয়ে বিত্তীয় সাক্ষৰতা আৰু গ্ৰাহক সুৰক্ষা বাৰ্তাবোৰৰ বিষয়ে ৰাইজক শিক্ষা প্ৰদান কৰিবলৈ গণমাধ্যমযোগে (এচ এম এছ, বৈদ্যুতিন আৰু ছপামাধ্যম, ফেচবুক আৰু টুইটাৰ) এক ৰাজহুৱা সজাগতা অভিযান চলাইছে।

এছ এম এছ অভিযানৰ বাবে আৰ বি আয়ে **'RBISAY'** আই ডিৰ পৰা বাৰ্তাবোৰ প্ৰেৰণ কৰে। সবিশেষ, জানিবলৈ কম কৰক **১৪৪৪০**।

বাৰ্তা ১৯

# অভিযোগ নিষ্পত্তি ব্যৱস্থা

বেংক/এন বি এফ চি/প্ৰদান প্ৰণালী অংশগ্ৰহণকাৰীয়ে আগবঢ়োৱা সেৱাত ত্ৰুটি বা গাফিলতি বিষয়ক গ্ৰাহকৰ অভিযোগবোৰ খৰতকীয়াকৈ আৰু বিনামূল্যে নিষ্পত্তিৰ কাৰণে আৰ বি আইয়ে লোকপাল আঁচনিৰ অন্তৰ্গত এটা ব্যৱস্থা ৰাখিছে।
(https://rbi.org.in/Scripts/Complaints.aspx অথবা cms.rbi.org.in).






## লোকপালত অভিযোগ দাখিলৰ পূৰ্বে, সদায় মনত ৰাখিব

- আপোনাৰ অভিযোগ নিষ্পত্তিৰ কাৰণে প্ৰথমে সংশ্লিষ্ট বেংক/এন বি এফ চি/প্ৰদান প্ৰণালী অংশগ্ৰহণকাৰীৰ কাষ চপা।
- বেংক/এন বি এফ চি/প্ৰদান প্ৰণালী অংসগ্ৰহণকাৰীৰ কাষ চপাৰ এমাহ পাচতহে লোকপালত অভিযোগ কৰিব যদিহে আপোনাৰ অভিযোগ মীমাংসা নোহোৱাকৈ থাকে বা সমিধানত আপুনি সন্তুষ্ট নহয় (উত্তৰৰ এবছৰৰ ভিতৰত)।
- যাতে অভিযোগটো সংশ্লিষ্ট লোকপাল আঁচনিত উল্লেখিত ভিত্তি সমূহৰ অন্তৰ্গত হয়।
- যাতে অভিযোগটোত আৱশ্যকীয় বিৱৰণ/তথ্যপাতিবোৰ থাকে আৰু অভিযোগটো অন্য কোনো মঞ্চত (যেনে- আদালত) বিচাৰ/বিচাৰাধীন হৈ নাথাকে অথবা লোকপালে পূৰ্বে বিচাৰ/মীমাংসা কৰা নহয়।
- যে নিৰ্ধাৰিত আধাৰ ৰূপত চি এম এছযোগে অভিযোগ দাখিল কৰিলে লোকপালৰ দ্বাৰা খৰতকীয়া নিষ্পত্তিত সহায় হয়।

## অভিযোগ দাখিলৰ পদ্ধতি

### কেতিয়া ?



- যদি বেংক/এন বি এফ চি/প্ৰদান প্ৰণালী অংশগ্ৰহণকাৰীৰ পৰা উত্তৰটো অভিযোগ দাখিলৰ এমাহৰ ভিতৰত নাপায়।
- বেংক/এন বি এফ চি/প্ৰদান প্ৰণালী অংশগ্ৰহণকাৰী উত্তৰত অভিযোগকাৰী অসন্তুষ্ট হৈ থাকে।

### ক'ত ?

- সেই লোকপালত যাৰ ক্ষেত্ৰাধিকাৰত সংশ্লিষ্ট বেংক/এন বি এফ চি/প্ৰদান প্ৰণালী অংশগ্ৰহণকাৰীৰ শাখাটো/পঞ্জীভুক্ত কাৰ্যালয়টো পৰে।

(https://rbi.org.in/Scripts/Complaints.aspx অথবা cms.rbi.org.in).

### কেনেকৈ ?

- আৰ বি আইৰ অভিযোগৰ ব্যৱস্থাপনা পৰ্টেল (cms.rbi.org.in) বা ইমেইল অথবা ডাকযোগে আঁচনিৰ সংলগ্নপত্ৰত নিৰ্ধাৰিত প্ৰপত্ৰত সমুচিত স্বাক্ষৰসহকাৰে অভিযোগ দাখিল কৰিব
- অভিযোগকাৰী আৰু বেংক/এন বি এফ চি/প্ৰদান প্ৰণালী অংশগ্ৰহণকাৰীৰ নাম আৰু যোগাযোগৰ সবিশেষ (ঠিকনা, ইমেইল, ফোন নম্বৰ) উল্লেখ কৰিব।
- সকলো সবিশেষ যেনে- অভিযোগৰ স্বৰূপ, বিচৰা ক্ষতি আৰু সকাহ আদি উল্লেখ কৰিব আৰু সংশ্লিষ্ট নথিপত্ৰবোৰ গাঁঠি দিব।


অধিকতৰ জানিবলৈ ভিজিট কৰক ঃ

**https://rbi.org.in/Scripts/Complaints.aspx অথবা cms.rbi.org.in**

বাৰ্তা ২০

# আৰ বি আইৰ অভিযোগ ব্যৱস্থাপনা প্ৰণালী (CMS)

আৰ বি আইৰ দ্বাৰা নিয়ামিত যিকোনো সত্ত্বাৰ বিৰুদ্ধে লোকপালত অভিযোগ দাখিলৰ বাবে cms.rbi.org.in। পৰ্টেলত লগঅন কৰক। পৰ্টেলৰ ৱেব পেজটোৰ স্ক্ৰীণশ্বট তলত দিয়া ধৰণৰ ঃ




প'ৰ্টেলটো ব্যৱহাৰ সুচল আৰু অভিযোগ এটা কেনেকৈ ফাইল কৰিব লাগে ইউজাৰক দেখুৱাই নিয়াত সহায় কৰিবলৈ আত্মসহায়ক ভিডিঅবোৰ আছে।

অভিযোগ দাখিল কৰাৰ পাছতে অভিযোগকাৰীয়ে লগে লগে অনন্য পঞ্জীয়ন নম্বৰসহ এছ এম এছ/ই-মেইলযোগে প্ৰাপ্তিস্বীকাৰ লাভ কৰিব, যিটোক অভিযোগটোৰ স্থিতি জনাৰ বাবে অনলাইনযোগে সন্ধান কৰাকে ধৰি ভৱিষ্যতৰ যিকোনো উল্লেখৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

আৰ বি আইৰ দ্বাৰা অভিযোগ নিৰসন অভিজ্ঞতা সম্পৰ্কে অধিকতৰ অৱগত কৰোৱা আৰু আপীল দাখিলৰ বাবেও অভিযোগকাৰীয়ে পৰ্টেলটো ব্যৱহাৰ কৰিব পাৰে।

**বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ**

ভাৰতীয় ৰিজাৰ্ভ বেংক
১০ম মহলা, কেন্দ্ৰীয় কাৰ্যালয়
মুম্বাই- ৪০০০০১, ভাৰত